## শ্ৰেণী : দশম (বিজ্ঞান)
## অধ্যায় : ১১ - মানুহৰ চকু আৰু বাৰেবৰণীয়া পৃথিৱী
[Assamese.Blog]

---

**Question: 1**
চকুৰ উপযোজন ক্ষমতা কি?
**Answer:**
চকুৰ লেন্‌ছখন আঁহযুক্ত জেলী সদৃশ পদাৰ্থৰে গঠিত। ইয়াৰ বক্ৰতা কিছু পৰিমানে চিলিয়াৰী পেশীয়ে সলনি কৰিব পাৰে। চকুৰ লেন্‌ছৰ বক্ৰতাৰ পৰিবৰ্তনে ইয়াৰ ফ'কাছ দৈৰ্ঘ্যৰ পৰিবৰ্তন ঘটায়। চকুৰ লেন্‌ছৰ ফ'কাছ দৈৰ্ঘ্য পৰিবৰ্তন কৰিব পৰা সামৰ্থ্যক উপযোজন ক্ষমতা বোলা হয়।

**Question: 2**
মায়'পিয়াগ্ৰস্ত চকু থকা মানুহ এজনে 1.2 m তকৈ বেছি দূৰৰ বস্তু স্পষ্টকৈ দেখা নাপায়। যথোচিত দৃষ্টি ঘূৰাই আনিবলৈ কেনেধৰণৰ লেন্‌ছ ব্যৱহাৰ কৰিব লাগিব?
**Answer:**
মায়'পিয়াগ্ৰস্ত বা নিকট দৃষ্টিগ্ৰস্ততা থকা মানুহ এজনে 1.2 m তকৈ বেছি দূৰৰ বস্তু স্পষ্টকৈ দেখা নাপায়। ইয়াৰ কাৰণ হল মানুহজনৰ চকুটোৱে 1.2 m তকৈ বেছি দূৰৰ বস্তুবোৰৰ প্ৰতিবিম্ব ৰেটিনাৰ কিছু আগত গঠিত কৰে।
উপযুক্ত ক্ষমতাৰ অৱতল লেন্‌ছ ব্যৱহাৰ কৰি এই বিকাৰ সংশোধন কৰিব পাৰি।

**Question: 3**
স্বাভাৱিক দৃষ্টিৰ এজন মানুহ এজনৰ বাবে দূৰ-বিন্দু আৰু নিকটবিন্দু কি ?
**Answer:**
চকুৰ পৰা যি ন্যূনতম দূৰত্বত বস্তু এটা স্পষ্টকৈ আৰু কৃচ্ছ্ৰসাধন নকৰাকৈ দেখা পোৱা যায় তাক স্পষ্ট দৃষ্টিৰ ন্যূনতম দূৰত্ব বুলি কোৱা হয়। ইয়াক চকুৰ নিকট বিন্দু বোলা হয়। প্ৰাপ্ত বয়স্ক যুৱক-যুৱতীৰ সুস্থ চকুৰ বাবে এই নিকট বিন্দু চকুৰ পৰা দূৰত্ব প্ৰায় । চকুৱে স্পষ্টকৈ দেখা আটাইতকৈ দূৰৰ বিন্দুটোক দূৰ বিন্দু বোলা হয়। সুস্থ চকুৰ বাবে দূৰ বিন্দু অসীমত থাকে।

**Question: 4**
ছাত্ৰ এজন শেষৰ বেঞ্চত বহিলে ব'ৰ্ডখন চোৱাত অসুবিধা পায়। ল'ৰাজনে ভোগা বিকাৰটো কি হ'ব পাৰে ? ইয়াৰ সংশোধন কেনেকৈ কৰিব পাৰি?
**Answer:**
ছাত্ৰ এজন শেষৰ বেঞ্চত বহিলে ব'ৰ্ডখন চোৱাত অসুবিধা পায়। অথাৎ ছাত্ৰজনে দূৰৰ বস্তু স্পষ্টকৈ দেখা নাপায়। গতিকে ছাত্ৰজনৰ মায়পিয়া বা নিকট দৃষ্টিগ্ৰস্ততা আছে। এই বিকাৰ উপযুক্ত ক্ষমতাৰ অৱতল লেন্‌ছ ব্যৱহাৰ কৰি সংসোধন কৰিব পাৰি।



Assamese.Blog